অসম

শিৱসাগৰত একে পাত্ৰত ১৩ মাহৰো অধিক কাল জীয়াই আছে মাছ

শিৱসাগৰৰ এখন গাঁৱত একেটা পাত্ৰত একেখিনি পানীত ১৩ মাহৰো অধিক কাল ধৰি এটা মাছ জীয়াই থকাক লৈ চৰ্চা চলিছে। জুবিন গাৰ্গৰ গীত বাজিলেই মাছটো স্থিৰ হৈ থাকে বুলিও দাবী কৰা হৈছে।

প্ৰকাশ: ৮ নৱেম্বৰ ২০২৬, আবেলি ৫:৩৫



শিৱসাগৰ: এটা পাত্ৰ, একেখিনি পানী আৰু এটা মাছ। এই ব্যতিক্ৰমী দাবীক লৈ এতিয়া চৰ্চা চলিছে শিৱসাগৰৰ এখন গাঁৱত। মাছটোৰ গৰাকীৰ দাবী অনুসৰি, ১৩ মাহৰো অধিক সময় ধৰি মাছটো একেটা পাত্ৰৰ একেখিনি পানীতে জীয়াই আছে।

প্ৰতিবেদন অনুসৰি, জুবিন গাৰ্গৰ মৃত্যুৰ দিনটোৰ পৰাই মাছটো একেখিনি পানীতে ৰখা হৈছে। সময় পাৰ হোৱাৰ লগে লগে মাছটোক লৈ গৰাকীৰ দাবীয়ে অঞ্চলটোত চৰ্চা লাভ কৰিছে।

ইয়াতেই শেষ নহয়। মাছটোৰ গৰাকীয়ে আন এক ব্যতিক্ৰমী দাবীও কৰিছে। তেওঁৰ মতে, জুবিন গাৰ্গৰ গীত বজালেই মাছটো সম্পূৰ্ণ স্থিৰ হৈ পৰে।

মাছটোৰ এই আচৰণ আৰু একেখিনি পানীতে ইমান দিন জীয়াই থকাৰ দাবীয়ে স্থানীয় লোকৰ মাজত কৌতূহলৰ সৃষ্টি কৰিছে।

© 2026 NewzNow

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/1302/sivasagar-fish-zubeen-garg-songs

© 2026 NewzNow